# অসম বিধান সভা

## তৰা বিহীন প্ৰশ্ন নং – ১৪৭

## উত্তৰ দিয়াৰ তাৰিখ : ০৮/০৭/২০২৬

বিষয় : অসমীয়াৰ সূত্ৰ নিৰ্ধাৰণ

বিধায়ক : শ্ৰীআব্দুৰ ৰহিম আহমেদ

## প্ৰশ্ন

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম চুক্তি ৬ নং দফা ৰূপায়ণ সন্দৰ্ভত অসমীয়াৰ সূত্ৰ নিৰ্ধাৰণ কৰা হৈছে নেকি? বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(খ) যদি অসমীয়াৰ সূত্ৰ নিৰ্ধাৰণ হোৱা নাই তেনেহ'লে এই সূত্ৰ সকলো অংশীদাৰৰ লগত আলোচনা কৰি কেতিয়ালৈকে নিৰ্ধাৰণ কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব?

## উত্তৰ

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত অতুল বৰা মহোদয়ে উত্তৰ দিব:

(ক) অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ সন্দৰ্ভত ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ে গঠন কৰা ন্যায়াধীশ (অৱসৰপ্ৰাপ্ত) শ্ৰী বিপ্লৱ কুমাৰ শৰ্মা উচ্চ পৰ্যায়ৰ সমিতিয়ে "অসমীয়া"ৰ সংজ্ঞা নিৰ্ধাৰণৰ বিষয়েও পৰামৰ্শ আগবঢ়াইছে। উক্ত প্ৰতিবেদনখন ইতিমধ্যে অসম চৰকাৰে পৰ্যালোচনা কৰিছে। মাননীয় মুখ্যমন্ত্ৰীৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকসমূহত উচ্চ পৰ্যায়ৰ সমিতিৰ পৰামৰ্শসমূহৰ ৰূপায়ণৰ বিষয়ত আলোচনা চলি আছে।

(খ) অসমীয়াৰ সূত্ৰ নিৰ্ধাৰণ বিষয়টো অতি গুৰুত্বপূৰ্ণ আৰু সংবেদনশীল। এই বিষয়ত বিভিন্ন জাতীয়তাবাদী সংগঠনকে ধৰি সংশ্লিষ্ট অংশীদাৰসকলৰ সৈতে আলোচনা অব্যাহত আছে।

চৰকাৰে সকলো পক্ষৰ মতামত, ন্যায়াধীশ (অৱসৰপ্ৰাপ্ত) শ্ৰী বিপ্লৱ কুমাৰ শৰ্মা উচ্চ পৰ্যায়ৰ সমিতিৰ পৰামৰ্শ আৰু আইনগত দিশসমূহ বিবেচনা কৰি উপযুক্ত সময়ত প্ৰয়োজনীয় সিদ্ধান্ত গ্ৰহণ কৰিব।

*****

উত্তৰ অসম বিধানসভাৰ ৱেবছাইট “https://cms.neva.gov.in"ত আপলোড কৰা হৈছে।